

समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

ভূগোল

পাঠ - ২


পৰিৱেশ আৰু পৰিৱেশৰ সমস্যা

অংশ – ১

শ্ৰাৱণী দেৱী

- সম্প্ৰতি পৰিৱেশৰ সৈতে জড়িত বিষয়সমূহ শৈক্ষিক, প্ৰশাসনিক, বাণিজ্যিক আৰু ৰাজনৈতিক আলোচনাৰ বিষয় বস্তু হৈ পৰিছে।
- সুস্থ পৰিৱেশ আমাৰ সকলোৰে লক্ষ্য আৰু উদ্দেশ্য হৈ পৰিছে।
- বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিৱেশ শিক্ষাক অগ্ৰাধিকাৰ দিয়া হয়।

পৰিৱেশৰ অৰ্থ



পৰিৱেশ —

- কোনো জীৱ বা জীৱসম্প্ৰদায়ৰ চাৰিওফালৰ অৱস্থাকে পৰিবেশ বোলে।
- ইয়াত জীয়াই থকাৰ বাবে প্ৰয়োজনীয় সকলো উপাদান (জৈৱিক আৰু অজৈৱিক) পৰিবেশৰ ভিতৰতে অন্তৰ্ভুক্ত।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



জৈৱিক উপাদান — উদ্ভিদ আৰু প্ৰাণী।

অজৈৱিক উপাদান — ভূমি, পানী, বায়ু আৰু অন্যান্য সকলো নিৰ্জীৱ উপাদান অজৈৱিকৰ ভিতৰত পৰে।

- জৈৱিক আৰু অজৈৱিক উপাদানসমূহে পাৰস্পৰিক ক্ৰিয়া কৰি জীৱৰ বাবে প্ৰয়োজনীয় অৱস্থা বা পৰিৱেশ সৃষ্টি কৰে।
- প্ৰতিটো জীৱ বা জীৱ সম্প্ৰদায় চাৰিওফালৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে।

- জীৱবোৰো নিজৰ পৰিৱেশৰ উপাদান।
- মানুহো এক প্ৰকাৰৰ জীৱ, নিজৰ পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল।
- ভৌগোলিক দৃষ্টিকোণৰ পৰা পৰিৱেশৰ অৰ্থ অতি ব্যপক আৰু জটিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

পৃথিৱীৰ চাৰিটা প্ৰধান মণ্ডলে ইয়াৰ পৰিৱেশ নিৰ্ধাৰণ কৰে —

(ক) স্থল মণ্ডল (Lithosphere)

(খ) জলমণ্ডল (Hydrosphere)

(গ) বায়ুমণ্ডল (Atmosphere)

(ঘ) জীৱমণ্ডল (Biosphere)।

- এই মণ্ডলবোৰ আন্তঃসংযোগী।
- এই মণ্ডলবোৰৰ মাজত থকা সম্পৰ্ক আৰু পাৰস্পৰিক ক্ৰিয়াৰ ফলত সৃষ্টি হোৱা অৱস্থাক পৰিৱেশ বুলি কোৱা হয়।





- পিটাৰ হেগেট (বিখ্যাত ভূগোলবিদ)ৰ মতে পৰিৱেশ হৈছে ভূমি, পানী, বায়ু আৰু জীৱৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়াৰ ফল।
- গতিকে, পৃথিৱীৰ পৰিৱেশ এক বিশাল আৰু জটিল ব্যৱস্থা।
- ইয়াৰ ভিতৰত স্থানীয় আৰু আঞ্চলিক পৰিৱেশে ক্ৰিয়া কৰি আহিছে।
- গতিকে, সকলো স্থানীয় পৰিৱেশে এই বিশাল গোলকীয় পৰিৱেশৰ অংশ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca Foundation



১। স্থলমণ্ডল

- শিল, মাটি, খনিজ পদার্থ আদিৰে গঠিত পৃথিৱীৰ ভূমি উপাদানে স্থলমণ্ডল গঠন কৰে।
- স্থলমণ্ডলে সেই সকলোবোৰ মহাদেশকে সামৰি লৈছে য'ত আমি পর্বত, পাহাৰ, মালভূমি, সমভূমি, উপত্যকা আৰু উপকূল বিচাৰি পাওঁ।

- স্থলমণ্ডলৰ গুণাগুণ আৰু পৰিবৰ্তন নিৰ্ভৰ কৰে আন তিনিটা মণ্ডলৰ (জলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডল)ৰ ওপৰত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


২। জলমণ্ডল

- সাগৰ আৰু মহাসাগৰে জলমণ্ডল গঠন কৰে।
- ই পৃথিৱীৰ প্ৰায় ৭১% অংশ সামৰি লৈছে।
- স্থলভাগৰ নদী, হ্ৰদ আৰু অন্যান্য জলভাগো জলমণ্ডলৰ অংশ।
- জলমণ্ডলৰ অৱস্থা আৰু পৰিৱৰ্তন স্থলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডলৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে।

৩। বায়ুমণ্ডল

- পৃথিৱীৰ পৃষ্ঠৰ পৰা ওপৰলৈ বিস্তৃত গেছীয় স্তৰটোকে বায়ুমণ্ডল বোলে।
- অক্সিজেন, নাইট্ৰজেন, হাইড্ৰজেন, কাৰ্বন-ডাই-অক্সাইড, আৰ্গন আদিৰে গঠিত।
- ই পৃথিৱীৰ পৃষ্ঠৰ পৰা প্ৰায় ১০,০০০ কিলোমিটাৰ উচ্চতালৈকে বহলভাৱে বিস্তৃত।

- বায়ুমণ্ডলৰ গুণাগুণ আৰু পৰিৱৰ্তন আন তিনিটা উপাদান (স্থলমণ্ডল, জলমণ্ডল আৰু জীৱমণ্ডল)ৰ ওপৰত নির্ভৰ কৰে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


৪। জীৱমণ্ডল

- পৃথিৱীৰ ওপৰিভাগৰ যি অংশত জীৱ থাকে তাকে জীৱমণ্ডল বোলে ।
- ইয়াৰ ভিতৰত আছে —
  - পৃথিৱীৰ স্থলভাগ
  - পৃথিৱীৰ পৃষ্ঠৰ পৰা কেইমিটাৰমান তললৈ নামি
  - সাগৰ-সাগৰ
  - বায়ুমণ্ডলৰ তলৰ স্তৰ (য'ত চৰাই আৰু পোক-পৰুৱা উৰি থাকে)।

এতিয়ালৈকে জীৱমণ্ডলত ১৭.৫ লাখ প্রজাতিৰ উদ্ভিদ আৰু প্ৰাণী চিনাক্ত কৰা হৈছে।



- ইয়াৰ ভিতৰত মানুহ (হোমো চেপিয়েন্স) মাত্ৰ এটা প্ৰজাতিহে।
- পৃথিৱীৰ পৰিৱেশৰ চাৰিটা প্ৰধান মণ্ডল পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল।
- এই মণ্ডলবোৰৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়াই পৰিৱেশৰ জন্ম দিছে।
- এই মণ্ডল সমূহৰ অসংখ্য উপাদানৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলত এক জটিল জালিৰ যোগেদি পৃথিৱীৰ বৰ্তমানৰ পৰিৱেশ গঢ় লৈ উঠিছে।



- স্থান আৰু কাল ভেদে পৰিবেশৰ পৰিবর্তন ঘটে।
- স্থানীয় ভৌগোলিক অঞ্চলসমূহৰ নিজস্ব বৈশিষ্ট্য আছে, তথাপিও ইয়াৰ মাজত আন্তঃসংযোগ আছে।
- ভূমি, পানী, জলবায়ু, প্রাকৃতিক গছ-গছনি আৰু বন্যপ্রাণীৰ ক্ষেত্রত আঞ্চলিক তাৰতম্য আছে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

- বিষুৱৰেখাৰ ওচৰৰ প্ৰাকৃতিক পৰিৱেশ মেৰু অঞ্চলৰ পৰা যথেষ্ট পৃথক।
- মৰুভূমি অঞ্চলৰ পৰিৱেশ আকৌ বেলেগ।
- নদী উপত্যকাৰ পৰিৱেশ উপকূলীয় অঞ্চলৰ পৰা পৃথক।
- এইদৰে বিভিন্ন ভৌগোলিক পৰিস্থিতিয়ে বিভিন্ন ধৰণৰ পৰিৱেশৰ সৃষ্টি কৰে।
- সময়ৰ লগে লগে একে পৰিৱেশৰ ভিতৰতে পৰিৱৰ্তন ঘটে।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

- পৃথিৱীৰ পৰিৱেশৰ দ্ৰুত পৰিৱৰ্তনৰ বাবে দায়ী কাৰকসমূহ —
  - জনসংখ্যা বৃদ্ধি,
  - ঔদ্যোগীকৰণ,
  - নগৰায়ন,
  - পৰিবহণ আৰু যোগাযোগৰ সম্প্ৰসাৰণ



- বনাঞ্চলৰ আৱৰণ, জলাশয় আদিৰ সংকোচনে জীৱমণ্ডল আৰু বায়ুমণ্ডলত ইয়াৰ নেতিবাচক প্ৰভাৱ পেলায়।
- জনসংখ্যা আৰু মানুহৰ কাৰ্যকলাপৰ বিস্তাৰৰ বাবে পাহাৰীয়া আৰু মৰুভূমি অঞ্চলত দ্ৰুত পৰিৱেশ পৰিৱৰ্তন ঘটিছিল।
- গতিকে, পৰিৱেশৰ অধ্যয়ন, সঠিক সংৰক্ষণৰ গুৰুত্ব বৃদ্ধি পাইছে।

পৰিৱেশৰ সমস্যা



- পৰিৱেশৰ কোনো সমস্যাৰ সৃষ্টি নহয়, যদিহে পৰিৱেশৰ উপাদানসমূহৰ গুণগত মান আৰু ইয়াৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক স্বাভাৱিক হৈ থাকে।
- মানৱ সভ্যতাৰ আৰম্ভণিতে প্ৰদূষণৰ কোনো সমস্যা নাছিল।

- প্ৰাকৃতিক পৰিঘটনাই (ভূমিকম্প, আগ্নেয়গিৰিৰ বিস্ফোৰণ, ঘূৰ্ণীবতাহ) কিছু সমস্যাৰ সৃষ্টি কৰিছিল, কিন্তু আজিৰ দৰে কেতিয়াও প্ৰাণ ল'ব পৰা নাছিল।
- এই সকলোবোৰৰ লগত মানুহৰ সহাৱস্থান আছিল।
- প্ৰাকৃতিক আৰু মানৱসৃষ্ট উপাদানৰ মাজত ভাৰসাম্য ৰক্ষা কৰিলে ডাঙৰ সমস্যা ৰোধ হয়।

- স্থলমণ্ডল, জলমণ্ডল, বায়ুমণ্ডল আৰু জীৱমণ্ডলৰ উপাদানসমূহৰ মাজত সম্পৰ্ক ভাৰসাম্য ৰক্ষা কৰি থকালৈকে পৰিৱেশৰ সমস্যাই মানুহক এতিয়াৰ দৰে বিচলিত কৰা নাছিল।
- যোৱা ৩০০ বছৰত বিশ্বৰ জনসংখ্যা আৰু সম্পদৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে, যাৰ ফলত পৰিৱেশৰ উপাদানসমূহৰ মাজত স্বাভাৱিক সম্পৰ্ক বিঘ্নিত হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মানুহৰ কার্যকলাপে পৃথিৱীৰ প্রতিটো মণ্ডলৰ ওপৰতে চাপ পেলাইছে।
- বনাঞ্চলৰ আৱৰণ কমি আহিল আৰু বায়ুমণ্ডলত কার্বন-ডাই- অক্সাইড বৃদ্ধি পাবলৈ ধৰিলে।
- ফলত নতুন নতুন সমস্যাৰ সৃষ্টি হ'বলৈ ধৰিলে।

- যিহেতু এই সমস্যাসমূহ মূলতঃ পৰিৱেশৰ সৈতে জড়িত, সেয়েহে ইয়াক পৰিৱেশ সমস্যা বুলি জনা যায়।
- স্বাভাৱিক অৱস্থাত বায়ুমণ্ডলত কার্বন-ডাই-অক্সাইড (CO_2)ৰ পৰিমাণ: — ০.০৩৫%।



- কার্বন-ডাই-অক্সাইডে পৃথিৱীৰ পৃষ্ঠৰ পৰা সৌৰশক্তি শোষণ কৰি বায়ুমণ্ডল আৰু পৃথিৱীৰ পৃষ্ঠ উভয়তে জীৱৰ বাবে অনুকূল উষ্ণতা নিশ্চিত কৰে।
- যদি কিবা বিশেষ কাৰণৰ বাবে এই গেছৰ পৰিমাণ বৃদ্ধি পায় তেন্তে ইয়াৰ ফলত বায়ুমণ্ডল আৰু পৃথিৱীৰ পৃষ্ঠৰ স্বাভাৱিক উষ্ণতাৰ পৰিৱৰ্তন হ'ব পাৰে।

Under CSR Support by
ipca | Foundation

- উদ্যোগ আৰু পৰিবহণ যান-বাহনত জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ ফলত বায়ুমণ্ডলত কার্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাইছে।
- ই গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে (যেনে গোলকীয় উষ্ণতা বৃদ্ধি)।
- বনাঞ্চল ধ্বংসৰ ফলত মাটি খহনীয়াৰ সমস্যা সৃষ্টি হৈছে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- ক্রমাৎ বৃদ্ধি পোৱা প্রকৃতি বিৰোধী মানৱ কার্য্যকলাপৰ ফলত বিশ্বত পৰিৱেশজনিত সমস্যাৰ সৃষ্টি হৈছে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

পৰিৱেশৰ সমস্যাক ভৌগোলিকভাৱে তিনিটা ভিন্ন গোটত ভাগ কৰিব পাৰি—

(ক) স্থানীয় সমস্যা

(খ) আঞ্চলিক সমস্যা

(গ) গোলকীয় সমস্যা



- উৎপত্তি আৰু বিস্তৃতিৰ ফালৰপৰা স্থানীয় সমস্যাসমূহ একো-একোটা সৰু এলেকাত সীমাবদ্ধ হৈ থাকিব পাৰে।

উদাহৰণ —

- ব্ৰহ্মপুত্ৰ বা বৰাক উপত্যকাৰ বান সমস্যা,
- বিশাল ঔদ্যোগিক অঞ্চলত জল প্ৰদূষণৰ সমস্যা,
- এখন চহৰ অঞ্চলত ভূগর্ভস্থ পানীৰ নাটনিৰ সমস্যা
- নদীৰ অৱবাহিকাত ভূমিক্ষয় সমস্যা।

- কেতিয়াবা আঞ্চলিক সমস্যাই এখনতকৈ অধিক দেশ সামৰি ল'ব পাৰে।

- কিছুমান পৰিৱেশ সমস্যাই সমগ্ৰ বিশ্বক সামৰি লৈছে আৰু ইয়াৰ কোনো ভৌগোলিক সীমা নাই।


উদাহৰণ —

গোলকীয় উষ্ণতা বৃদ্ধি-

- বিস্তৃতি ক্ষেত্ৰত ই সীমাহীন।
- বায়ুমণ্ডলৰ উপৰিও স্থলমণ্ডল, জলমণ্ডল আৰু জীৱমণ্ডলতো ইয়াৰ প্ৰভাৱ অনুভৱ কৰা হয়।
- এনে সমস্যা সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰচেষ্টাৰ প্ৰয়োজন।

মূল্যায়ন






1 | স্বাভাৱিক অৱস্থাত বায়ুমণ্ডলত কার্বন-ডাই-অক্সাইডৰ পৰিমাণ -

A 0.035 %

B 0.35 %

মূল্যায়ন





2 | জীৱমণ্ডলত এতিয়ালৈকে প্রায়.....১৭ ৫.....
নিযুত উদ্ভিদ আৰু প্রাণী চিনাক্ত হৈছে ।